**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-9-2026
**Time :** 0900 HRS

***Assamese Morning Bulletin***

---

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পন মাহৰ কাৰ্যসূচী।
২। নিযুত মইনা আৰু নিযুত বাবুসহ বিভিন্ন আঁচনিৰ সুবিধা লাভৰ বাবে শিক্ষানুষ্ঠানত ৭০ শতাংশ উপস্থিতি বাধ্যতামূলক বুলি শিক্ষামন্ত্ৰীৰ ঘোষণা।
৩। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল। আজি মনোনয়ন পত্ৰ পৰীক্ষা।
৪। ৰাজ্যজুৰি আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে জুবিন দিৱস পালন।

*আৰু*

৫। ৬৫ সংখ্যক সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় স্কুল ফুটবল প্ৰতিযোগিতাৰ ১৭ বছৰ অনুৰ্ধ শাখাত অসমৰ জয়ৰ ধাৰা অব্যাহত।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ মুঠ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। এই উপলক্ষে দেশৰ প্ৰান্তে প্ৰান্তে সেৱা সংকল্প অভিযানৰ অধীনত ভালেসংখ্যক কাৰ্যসূচী লোৱা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটত এটা মটৰ চাইকেল সমদল উলিয়াব। প্ৰধানমন্ত্ৰী মোদীৰ সংসদীয় সমষ্টি বাৰাণসীতো এই উপলক্ষে কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। দিল্লী চৰকাৰে সেৱা সমৰ্পণ মাহৰ শুভাৰম্ভ উপলক্ষে আজি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিভিন্নজনে নেতাগৰাকীলৈ শুভেচ্ছা জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে কৈছে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মৰাজিৰে দেশৰ সমৃদ্ধি আৰু মৰ্যাদা বৃদ্ধি কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীক শুভেচ্ছা জ্ঞাপন কৰি কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত ভাৰত বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰীগৰাকীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে শ্ৰী মোদীয়ে ১৪০ কোটি ভাৰতীয়ৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰি উন্নয়ন আৰু আত্মনিৰ্ভৰশীলতাৰ নতুন যুগৰ সূচনা কৰিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি তেওঁৰ দায়বদ্ধতা সদায় প্ৰেৰণাৰ উৎস বুলি মুখ্যমন্ত্ৰীয়ে কয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাইও প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী মাৰ্ঘেৰিটাই এই সন্দৰ্ভত এইদৰে কয় –

বাইট

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজিৰে পৰা অহা ১৭ অক্টোবৰলৈ কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে আজি সন্ধিয়া মাটিৰ চাকি জ্বলাবলৈ অসমবাসীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে আহ্বান জনাইছে।

রাজ্য চৰকাৰে গ্ৰহণ কৰা **সেৱা সমৰ্পন মাহ**ৰ অংশস্বৰূপে তামুলপুৰ জিলাতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীসমূহ সূচাৰুৰূপে ৰূপায়ণৰ বাবে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্ত চিমি কৰণে অভিযানৰ অধীনত সংশ্লিষ্ট বিভাগসমূহৰ দায়িত্ব আৰু কৰণীয় সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা কৰে।

**সেৱা সমৰ্পন মাহ** আয়োজন সন্দৰ্ভত শিৱসাগৰ জিলা প্ৰশাসনেও  কাৰ্যসূচী ৰূপায়ণ কৰিব। এই উপলক্ষে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকত কাৰ্যসূচীসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন এন ডি এ চৰকাৰৰ কাৰ্যকালত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যত যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰত অভূতপূৰ্ব পৰিৱৰ্তন সাধন হৈছে। বহু প্ৰতীক্ষিত বগীবিল দলং মুকলিৰ পাছত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা হৈছে। এই দলংখন মুকলি হোৱাৰ লগে লগে উজনি অসমৰ লগতে অৰুণাচল প্ৰদেশৰ আৰ্থ-সামাজিক, ঔদ্যোগিক, জনস্বাস্থ্য আৰু শৈক্ষিক ক্ষেত্ৰত লক্ষণীয় পৰিৱৰ্তন দেখা হৈছে। ২০১৮ চনৰ ২৫ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধেমাজি জিলাৰ কাৰেংচাপৰি আৰু বগীবিলক সংযোগ কৰি নিৰ্মাণ কৰা দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল। ৪ দশমিক ৯ - ৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দুখলপীয়া ৰে'ল আৰু পথ দলং হিচাপে পৰিচিত বগীবিলে দেশৰ দীৰ্ঘতম দলং হিচাপে স্বীকৃতি লাভ কৰিছে। ১৯৮৫ চনৰ অসম চুক্তিৰ দাবী অনুসৰি ১৯৯৭ চনৰ ২২ জানুৱাৰীত তদানীন্তন প্ৰধানমন্ত্ৰী এইচ ডি দেৱেগৌড়াই এই দলংখনৰ আধাৰশিলা স্থাপন কৰিছিল। এই দলং উদ্বোধনে কি ধৰণে আৰ্থ-সামাজিক, ঔদ্যোগিক আৰু শৈক্ষিক ক্ষেত্ৰত প্ৰভাৱ পেলাইছে। এই সন্দৰ্ভত ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বুদ্ধিন্দ্ৰ বৰুৱাই এইদৰে কয় –

বাইট

০০০০০০

ৰাজ্যৰ চৰকাৰী আৰু প্ৰাদেশীকীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে মাচুল ৰেহাই আঁচনি, নিযুত মইনা আৰু নিযুত বাবু আঁচনিকে ধৰি বিভিন্ন আঁচনি আৰু জলপানিৰ সুবিধা লাভ কৰিবলৈ হ'লে শিক্ষানুষ্ঠানত কমেও ৭০ শতাংশ উপস্থিতি বাধ্যতামূলক হ'ব। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীত অনুসূচীত জনজাতিৰ বাবে ঘোষিত মেট্ৰিকোত্তৰ জলপানী বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি এই কথা ঘোষণা কৰে। তেওঁ কয়, যে যিসকল শিক্ষাৰ্থীয়ে উপস্থিতিৰ প্ৰয়োজনীয় হাৰ স্পৰ্শ কৰাত ব্যৰ্থ হ'ব তেওঁলোকৰ নাম সংশ্লিষ্ট আঁচনিৰ পৰা কৰ্তন কৰা হ'ব। এই নিয়ম মাচুল ৰেহাই, নিযুত মইনা, নিযুত বাবু আঁচনিৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হ'ব বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে।

(বাইট ঃ পেগু)

তেওঁ কয়, যে প্ৰাকৃতিক দুৰ্যোগ, স্বাস্থ্যজনিত পৰিস্থিতি বা পৰিয়ালৰ কাৰোবাৰ বিয়োগৰ দৰে বিশেষ পৰিস্থিতিত অধ্যক্ষসকলক উপস্থিতিৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। বেকলগ থকা শিক্ষাৰ্থীসকলো ৫০ শতাংশ মাচুল ৰেহাইৰ বাবে যোগ্য থৈ থাকিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীয়ে ৩৫ খন মনোনয়ন দাখিল কৰিছে। মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব।  ইচ্ছুক প্ৰাৰ্থীসকলে পৰহিলৈৰ ভিতৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ দেৱাশীষ শৰ্মা, কংগ্ৰেছৰ শিৱামণি বৰা, এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমল আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল চালাম অন্যতম। মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিনা

বিজেপিৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাই দলীয় নেতা-কৰ্মীক লগত লৈ নগাঁও জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সৈতে মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰে।

কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে। কংগ্ৰেছৰ সভাপতিগৰাকীয়ে এই নিৰ্বাচনক লৈ আশাবাদী বুলি প্ৰকাশ কৰে।

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰে। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিয়ে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্দিয়াৰ বিধায়ক চেৰমান আলী আহমেদ উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজিক উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালনৰ অংশহিচাপে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচী লোৱা হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত আজিৰেপৰা এই দিৱস পালন কৰা হ'ব। আজি সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, কাইলৈ সাংস্কৃতিক অনুষ্ঠান, পৰহিলৈ গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনাৰ ব্যৱস্থা কৰা হ'ব। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি জুবিন ক্ষেত্ৰত উপস্থিত হৈ জুবিন দিৱসৰ কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

অসম সন্তান জনপ্ৰিয় সংগীত শিল্পী জয় বৰুৱা আৰু এনিমেশ্যন পৰিচালক সমুদ্ৰ কাজল শইকীয়াই আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ গৱেষণা সংস্থা নাছাৰ অভিলাষী অভিযানৰ সৈতে জড়িত আন্তঃৰাষ্ট্ৰীয় সংগীত প্ৰকল্পত স্থান লাভ কৰি ইতিহাস ৰচনা কৰিছে। তেওঁলোকে নাছাৰ কোচি অভিযানৰ অন্তৰ্গত কছমিক ৰেপছ'ডি নামৰ অভিনব আন্তঃৰাষ্ট্ৰীয় প্ৰকল্পত মুখ্য ভূমিকা পালন কৰিছে। কছমিক ৰেপছ'ডি হৈছে- বিজ্ঞান, সংগীত আৰু এনিমেশ্যনৰ বিৰল সংমিশ্ৰণ। পৃথিৱীৰ ক্ৰমবৰ্ধমান পৰিৱেশ বিষয়ক সংকটৰ স্থায়ী সমাধান বিচাৰি এগৰাকী কাল্পনিক মানুহ আৰু এটা কৃত্ৰিম বুদ্ধিমত্তাই মহাকাশলৈ কৰা মহাজাগতিক যাত্ৰাৰ কাহিনীৰে এই প্ৰকল্পৰ মূল ভেটি গঢ় লৈ উঠিছে। মানৱ সত্তা আৰু প্ৰযুক্তিৰ এই যাত্ৰাক অৰ্কেষ্ট্ৰা সংগীত, হৃদয়স্পৰ্শী পপ সুৰ আৰু চিনেমেটিক এনিমেশ্যনৰ জৰিয়তে ফুটাই তোলা হৈছে। এই প্ৰকল্পৰ সৃষ্টিশীল ধাৰণা গল্পকাৰ আৰু গীতিকাৰ যুটী ড০ সুজান লিম আৰু ড০ ক্ৰিষ্টিনা টিনজস্তানৰ প্ৰধান সুৰকাৰ হিচাপে আছে ফ্ৰান্সৰ মানু মাৰ্টিন আৰু বৈজ্ঞানিক নেতৃত্বত আছে কেলফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ মহাকাশ বিজ্ঞান পৰীক্ষাগাৰৰ প্ৰধান গৱেষক জন টমছিক। এই প্ৰকল্পত জয় বৰুৱাই দুটা মূল গীত ষ্টাৰ এমং দ্যা কছমিক ক্লাউডছ আৰু কনফেটিষ্টাৰ আয়নত কণ্ঠদান কৰিছে। সমুদ্ৰ কাজল শইকীয়াই এই গীতসমূহৰ বাবে মনোমুগ্ধকৰ

ছিনেমেটিক এনিমেশ্যন আৰু দৃশ্য সজ্জা প্ৰস্তুত কৰিছে। তেওঁৰ তুলাকাৰে মহাকাশৰ সেই অদেখা বিস্ময়বোৰ জীৱন্ত হৈ উঠিছে।

oooooo

অসমে ৬৫ সংখ্যক সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় স্কুল ফুটবল প্ৰতিযোগিতাৰ ১৭ বছৰ অনুৰ্ধ শাখাত জয়ৰ ধাৰা অব্যাহত ৰাখিছে। অসমক প্ৰতিনিধিত্ব কৰা চৰাইদেউৰ বামপথাৰ বেঙেনামাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে কালি নতুন দিল্লীত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত হিমাচল প্ৰদেশক ২-১ গ'লত পৰাস্ত কৰে।  বেঙেনামাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হৈ পাৰ্থ ডেকা বৰুৱাই  খেলখনৰ ৩২ মিনিটত প্ৰথমটো গ'ল দিয়ে। প্ৰথমাৰ্ধৰ পাছত হিমাচলে দ্বিতীয়াৰ্ধত গ'ল পৰিশোধ কৰে যদিও ৪৫ মিনিটত পল বৰুৱাই বেঙেনামাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হৈ বিজয়সূচক গ'লটো দিয়ে। বেঙেনামাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাইলৈ নিজৰ তৃতীয়খন খেলত হাৰিয়ানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ ল'ৰা-ছোৱালীৰ দলে ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে। অসমে কালি মেঘালয়ৰ শ্বিলঙত অনুষ্ঠিত ছোৱালীৰ দলীয় শাখাৰ চেমিফাইনেলত অৰুণাচলক ২-০ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। একেদৰে অসমে ল'ৰাৰ দলীয় শাখাৰ ছেমিফাইনেলত ২-১ ফলাফলত পৰাভূত কৰে।

oooooo

## News Paper REV/RNU

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন, ইউ পি আইত মাচুল আৰোপকলৈ দেশজুৰি প্ৰতিক্ৰিয়া, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে আজিৰে পৰা বিভিন্ন কাৰ্যসূচী আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে আজিৰে পৰা অহা ১৭ অক্টোবৰলৈকে সেৱা সমৰ্পন মাহ হিচাপে উদযাপন কৰাৰ লগতে আজি ঘৰে ঘৰে মাটিৰ চাকি জ্বলাবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণৰ প্ৰতি আহ্বান জনোৱাৰ বাতৰি আমাৰ অসম, দৈনিক জনমভূমিকে ধৰি প্ৰায়  আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাছিয়াৰ পৰা খাৰুৱা তেল ক্ৰয় কৰাৰ শাস্তি হিচাপে ভাৰতক ১০০ শতাংশ শুল্ক আৰোপ কৰাৰ বাবে আমেৰিকাই হুংকাৰ  দিয়াৰ এটা বাতৰিক নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

ৰাজ্যত সংস্থাপনহীনতাৰ ভয়াবহ ৰূপ- পাঁচ বছৰত আঠ শতাধিক নিবনুৱাৰ আত্মহনন- এই শিৰোনামেৰে ৰাজ্যৰ নিবনুৱা  সমস্যা সম্পৰ্কীয় এটা বাতৰি দৈনিক অসম কাকতে গুৰুতসহকাৰে প্ৰকাশ কৰিছে।

কানাড়া ছবিৰ কিংবদন্তি অভিনেতা অনন্ত নাগলৈ দাদাচাহেব ফাল্কে বঁটা আগবঢ়োৱাৰ বাতৰি অসমীয়া প্ৰতিদিন আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিজেপি, কংগ্ৰেছ, এ আই ইউ ডি এফ আৰু টি এম চিৰ প্ৰাৰ্থীসকলে  মনোনয়ন পত্ৰ দাখিল কৰাৰ বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জনপ্ৰিয় সংগীত শিল্পী জয় বৰুৱাই নাছাৰ অভিলাষী অভিযানৰ সৈতে জড়িত আন্তঃৰাষ্ট্ৰীয় সংগীত প্ৰকল্পত স্থান লাভ কৰি ইতিহাস ৰচনা কৰাৰ এটা বিশেষ বাতৰি দি আছাম ট্ৰিবিউন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

oooooo

ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হব। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰি ইতিমধ্যে শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত অভিষেক শৰ্মাৰ সুন্দৰ প্ৰদৰ্শনৰ বলত জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত সঞ্জু ছেমছনে ২২ টা বলত ৫৭ ৰান কৰি ভাৰতীয় দলৰ সহজ জয় নিশ্চিত কৰি তোলে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকণিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়, অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**